# গোট ১১ ভাৰতৰ স্বাধীনতা সংগ্ৰাম (ঐতিহাসিক লেখা)

## গাঁঠনি


১১.০ পাতনি আৰু উদ্দেশ্যাৱলী
১১.১ ভাৰতৰ স্বাধীনতা সংগ্ৰাম
 ১১.১.১ জাতীয়তাবোধ আৰু কংগ্ৰেছৰ জন্মকথা
 ১১.১.২ মহাত্মা গান্ধীৰ আৱিৰ্ভাৱ
 ১১.১.৩ অসহযোগ আন্দোলন
 ১১.১.৪ সন্ত্ৰাসবাদী আৰু অন্যান্য বিপ্লৱীদল
 ১১.১.৫ বৃটিছৰ বিভাজন নীতি
 ১১.১.৬ সুভাস বসু আৰু আজাদ হিন্দ ফৌজ
 ১১.১.৭ ভাৰত ত্যাগ আন্দোলন
 ১১.১.৮ আজাদ হিন্দ ফৌজৰ বিচাৰ
১১.২ সাৰাংশ
১১.৩ অনুশীলনী
 ১১.৩.১ বোধজ্ঞান অনুশীলনী
 ১১.৩.২ পঠন অনুশীলনী
 ১১.৩.৩ লিখন অনুশীলনী
১১.৪ উত্তৰ সংকেত


# ভাৰতৰ স্বাধীনতা সংগ্ৰাম


**ধীৰেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য**
**ডঃ নগেন ঠাকুৰ**


## ১১.০ মুখবন্ধ

ইষ্ট ইণ্ডিয়া কোম্পানী গঠন কৰি ইংৰাজ সকলে পোন প্ৰথমতে ভাৰতবৰ্ষত বেপাৰ-বাণিজ্য কৰিবলৈহে আহিছিল যদিও ভাৰতীয় সকলৰ ভিতৰুৱা খাম-খেয়ালী, অনৈক্য আৰু সামৰিক দুৰ্বলতাৰ কাৰণে ক্ৰমে ক্ৰমে ভাৰতৰ বুকুত নিজৰ সাম্ৰাজ্য গঢ়ি তুলিবলৈ সমৰ্থ হয় । ১৮৪৯ চনৰ ভিতৰত সিন্ধুৰ পৰা অসম, জম্মুৰ পৰা ত্ৰিবান্দ্ৰম পৰ্যন্ত বিশাল বৃটিছ সাম্ৰাজ্য বিস্তৃত হ'ল। বৃটিছ সাম্ৰাজ্য বিস্তাৰৰ ফলত ভাৰতবাসীৰ কেৱল ৰাজনৈতিক স্বাধীনতাই খৰ্ব হোৱা নাছিল, লগে লগে চলিছিল নিৰ্মম অৰ্থনৈতিক শোষণ।

ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতবাসীয়ে সংঘবদ্ধভাৱে প্ৰথম বিদ্ৰোহ কৰিছিল ১৮৫৭ চনত । এই বিদ্ৰোহ কৃতকাৰ্য নহ'ল যদিও এই বিদ্ৰোহেই আছিল ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম । ১৮৮৫ চনত জাতীয় কংগ্ৰেছৰ জন্মৰ লগে লগে পৰ্যায়ক্ৰমে স্বাধীনতা সংগ্ৰাম তীব্ৰ হৈ আহিবলৈ ধৰে । ১৯২০ চনৰ পৰা জাতীয় কংগ্ৰেছৰ নেতৃত্ব মহাত্মা গান্ধীয়ে লোৱাৰ পৰা ভাৰতৰ স্বাধীনতা সংগ্ৰাম সুকীয়া গতিৰে আগবাঢ়িবলৈ ধৰে । গান্ধীজীয়ে অহিংসা নীতিৰে সত্যাগ্ৰহৰ অমোঘ অস্ত্ৰেৰে বৃটিছ শক্তিক ভাৰতক স্বাধীনতা দিবলৈ বাধ্য কৰালে আৰু ইয়াৰ ফল স্বৰূপেই প্ৰায় দুশবছৰীয়া বৃটিছ শাসনৰ অন্ত হৈ ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীন ভাৰতৰ জন্ম হয় ।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস ভাৰত বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা । উল্লেখযোগ্য একল ঐতিহ্যমণ্ডিত বৃহৎ দেশ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ বাবে নহয়, সংগ্ৰামৰ বাবে লোৱা অভিনৱ নীতিৰ বাবেহে । মহাত্মা গান্ধীৰ নেতৃত্বত এক অভিনৱ নীতিৰে, অহিংসাৰ অস্ত্ৰেৰে বৃটিছ শক্তিক পৰাভূত কৰিব পৰাতো বিশ্বৰ বুৰঞ্জীৰ এক চমকপ্ৰদ ঘটনা । গান্ধীজীয়ে অহিংসা আৰু সত্যাগ্ৰহৰ অস্ত্ৰেৰে বৃটিছ শক্তিক ভাৰতক স্বাধীনতা দিবলৈ বাধ্য কৰালে । এনে অহিংস স্বাধীনতা সংগ্ৰাম বিশ্বৰ ইতিহাসত দ্বিতীয় আৰু নাই ।

### উদ্দেশ্যাৱলী

এই গোটটো অধ্যয়ণ কৰাৰ পাচত আপুনি জানিবলৈ পাব ।

- ঐতিহাসিক প্ৰবন্ধাদি কেনেকৈ লিখা হয় ?
- স্বাধীনতা লাভ কৰিবলৈ আমাৰ দেশৰ বৰেণ্য নেতাসকলে কিমান ত্যাগ স্বীকাৰ কৰিছিল ?
- ঐতিহাসিক প্ৰবন্ধত কেনে ধৰণৰ শব্দাৱলী আৰু ভাষা প্ৰয়োগ হয়।

**অন্য পাঠৰ লগত সম্পৰ্ক** এই গোটটো অধ্যয়ণৰ দ্বাৰা ভাৰতক সম্পূৰ্ণকৈ জনা সম্ভৱ হব । আগতে ভাৰতৰ ভৌগলিক সাংস্কৃতিক সামাজিক দিশ সম্বন্ধে জানিবলৈ পাইছিল ।

# ১১.১ ভাৰতৰ স্বাধীনতা সংগ্ৰাম

১৯৪৭ চনৰ ১৫ আগষ্টৰ আগলৈকে ভাৰতবৰ্ষ বিদেশী ইংৰাজৰ পৰাধীনতাৰ কবলত আছিল । ১৭০৭-ৰ পলাচীৰ যুদ্ধতে এই পৰাধীনতাৰ সূত্ৰপাত হয় । 'ইষ্ট ইণ্ডিয়া কোম্পানী' গঠন কৰি প্ৰথমতে বেপাৰ-বাণিজ্য কৰিবলৈ বুলি অহা ইংৰাজসকলে লাহে লাহে সেই সময়ৰ ভাৰতবাসীৰ খাম-খেয়ালী, অনৈক্য, সামৰিক দুৰ্বলতা আদিৰ সুযোগ লৈ নিজৰ সাম্ৰাজ্য গঢ়ি তুলিবৰ বাবে যত্নপৰ হয়। ঠায়ে ঠায়ে ইংৰাজৰ সাম্ৰাজ্যবাদী মনোভাৱ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও সেই চেষ্টা ব্যৰ্থ হৈছিল । ১৮৪৯ চনৰ ভিতৰত সিন্ধুৰ পৰা অসম, জম্মুৰ পৰা ত্ৰিবান্দ্ৰম পৰ্যন্ত বৃটিছ সাম্ৰাজ্য বিস্তৃত হ'ল আৰু ইয়াৰ লগে লগে ভাৰতবাসীৰ ৰাজনৈতিক স্বাধীনতা লোপ পোৱাৰ উপৰিও নিৰ্মমভাৱে অৰ্থনৈতিক শোষণো চলিবলৈ ধৰিলে।

১৮৫৭ চনত ভাৰতবাসীয়ে সংঘবদ্ধভাৱে প্ৰথমবাৰৰ বাবে বিদেশী ইংৰাজ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু এই বিদ্ৰোহেই আছিল ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম । কিন্তু সুযোগ্য নেতৃত্ব, উন্নত অস্ত্ৰ-শস্ত্ৰৰ অভাৱ, স্বাৰ্থপৰ সামন্তশক্তি আৰু বুদ্ধিজীৱীৰ অসহযোগিতাৰ বাবেই এই বিদ্ৰোহে কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে । বৰং কোম্পানীৰ হাতৰ পৰা ভাৰতৰ শাসনভাৰ বৃটিছ পাৰ্লিয়ামেন্টে পোনপটীয়াভাৱে ল'লে আৰু বৃটিছ সাম্ৰাজ্য ৰক্ষাৰ বাবে হিন্দু-মুছলমানৰ ঐক্য নষ্ট কৰিবলৈ বিভেদৰ বীজ সিঁচিবলৈ ধৰিলে ।

## ১১.১.১ জাতীয়তাবোধৰ উত্থান আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম

উনবিংশ শতিকাৰ শেষাৰ্ধত পাশ্চাত্য শিক্ষাৰ প্ৰভাৱত ভাৰতবৰ্ষত নবজাগৰণৰ সূচনা হয় আৰু ইয়াৰ ফলত শিক্ষিত মধ্যবিত্তৰ মনত জাতীয়তাবোধৰ উদয় হয় । হিন্দুধৰ্মৰ সংস্কাৰ আন্দোলনে এই জাতীয়তাবোধ আৰু স্বাধীনতাৰ স্পৃহা বৃদ্ধি কৰিছিল । আৰ্য সমাজৰ স্বামী দয়ানন্দ সৰস্বতী, ব্ৰাহ্মসমাজৰ দ্বাৰকানাথ ঠাকুৰ, কেশৱ সেন, প্ৰাৰ্থনা সমাজৰ ৰানাডে, ৰামকৃষ্ণ মিছনৰ স্বামী বিবেকানন্দ আদিয়ে জাতীয়ভাৱ জাগৰণত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল । প্ৰাদেশিক সাহিত্য আৰু বাতৰি কাকতেও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ঋষি বংকিমচন্দ্ৰ, শৰৎচন্দ্ৰ, ৰবীন্দ্ৰনাথ, কাজী নজৰুল, মুকন্দদাস, সুব্ৰামণিয়াম ভাৰতী, ইকবাল, প্ৰেমচাঁদ, অসমৰ কমলাকান্ত, অম্বিকাগিৰি আদি ঔপন্যাসিক, কবি, নাট্যকাৰ, সংগীতজ্ঞ আদিয়ে স্বদেশপ্ৰেমৰ জোৱাৰ তুলিছিল । ডিৰোজিঅ'ৰ নেতৃত্বত গঠিত ইয়ং বেংগল গোষ্ঠীয়ে স্বদেশ প্ৰেম আৰু আধুনিকতাৰ ঢৌ বোৱালে । ইংৰাজ বিষয়া কিছুমানৰ নিৰ্মম ব্যৱহাৰ আৰু ভাৰত-বিৰোধী ক'লা-আইন কিছুমানেও ভাৰতবাসীক ইংৰাজ-বিৰোধী কৰি তুলিছিল আৰু পৰাধীনতাৰ গ্লানি তীব্ৰতৰ কৰি তুলিছিল ।

• *Forward - 'A short History of the Indian National Congress' : M. V. R. Rao.*

এই সময়তে এ-অ- হিউম নামৰ নগৰাকী অৱসৰপ্ৰাপ্ত ইংৰাজ বিষয়াই ভাৰতীয় শিক্ষিত শ্ৰেণীটোৱে যাতে ইংৰাজ-বিৰোধী নহয় আৰু সংস্কাৰকামী মনোভাৱেৰে ইংৰাজ শাসনক সহায়হে কৰে, সেই উদ্দেশ্যে ১৮৮৫ চনৰ ডিচেম্বৰ মাহত এখন সভা আহ্বান কৰে । কলিকতাৰ বিখ্যাত বেৰিষ্টাৰ উমেশ চন্দ্ৰ বন্দোপাধ্যায় এই সভাৰ সভাপতি নিৰ্বাচিত হৈছিল । ভাৰতৰ স্বাধীনতা আন্দোলনক নেতৃত্ব দিয়া ভাৰতীয় জাতীয় কংগ্ৰেছৰ এয়ে আছিল আৰম্ভণি। প্ৰথম ছোৱাত ভাৰতীয় জাতীয় কংগ্ৰেছ চৰকাৰ বিৰোধী নাছিল । 'তোষামোদ নীতি'ৰে ভাৰতীয়ৰ বাবে সুশাসন প্ৰাৰ্থনা কৰাই আছিল জাতীয় কংগ্ৰেছৰ লক্ষ্য । প্ৰথমছোৱাত এই অনুষ্ঠানক নেতৃত্ব দিয়া সকলৰ ভিতৰত উমেশ চন্দ্ৰ বন্দোপাধ্যায়, দাদাভাই নৌৰজী, বালকৃষ্ণ গোখলে, ফিৰোজ শ্বাহ মেহতা, সুৰেন্দ্ৰ নাথ বন্দোপাধ্যায়, পণ্ডিত মদন মোহন মালব্য, ৰাস বিহাৰী ঘোষ আদিয়েই প্ৰধান । কিন্তু সময়ৰ লগেলগে জাতীয় কংগ্ৰেছৰ সুৰ সলনি হৈ আহিল আৰু চৰকাৰৰো কংগ্ৰেছৰ প্ৰতি মনোভাৱ সলনি হৈ পৰিল । কংগ্ৰেছৰ কিছুমান যুবসভ্যই বুজিলে যে তোষামোদ নীতি'ৰে বিদেশী চৰকাৰৰ পৰা ন্যায় বিচাৰ পাব নোৱাৰি - জোৰেৰেহে আদায় কৰি লব লাগিব । এইদৰে কংগ্ৰেছৰ মাজত নৰমপন্থী আৰু চৰমপন্থী দুই উপদলৰ সৃষ্টি হ'ল । চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিব নোখোজা সকলক নৰমপন্থী আৰু চৰকাৰৰ বিৰুদ্ধে উগ্ৰনীতি অনুসৰণ কৰা সকলক চৰমপন্থী বোলা হ'ল । ১৯০৫ চনত বংগ-বিভাজনৰ পিচত চৰমপন্থী দলহে বেচি জনপ্ৰিয় হৈ উঠিল । ১৯০৭ চনৰ চুৰাট অধিবেশনত এই দুই উপদলৰ মাজত সংঘৰ্ষ হৈ কংগ্ৰেছৰ নেতৃত্ব চৰমপন্থীৰ হাতলৈ গ'ল।

পাশ্চাত্য সভ্যতাৰ প্ৰথম প্ৰভাৱ পৰা বংগদেশত জাতীয় আন্দোলনে প্ৰথমতে শক্তিশালী ৰূপ লৈছিল । সেয়েহে বঙালী জাতীয়তাবোধক মষিমূৰ কৰিবলৈ সেই সময়ৰ চতুৰ গভৰ্নৰ জেনেৰেল লৰ্ড কাৰ্জনে হিন্দু মুছলমানৰ বিভেদ ঘটাই বংগদেশক পূৰ্ববংগ আৰু পশ্চিমবংগ দুভাগত ভাগ কৰিলে । সমগ্ৰ বাঙালী জাতিয়ে এই বিভাজনৰ বিৰুদ্ধে শক্তিশালী আন্দোলন আৰম্ভ কৰিলে আৰু অন্য প্ৰদেশতো এই আন্দোলন বিয়পি পৰিল; ইয়াৰ ফলত বৃটিছ বিৰোধী মনোভাৱ তীব্ৰ হৈ উঠিল । আন্দোলনকাৰীয়ে বিদেশী বস্তু বৰ্জন কৰিবলৈ শক্তিশালী জনমত গঢ়ি তুলি স্বদেশী বস্তু জনপ্ৰিয় কৰি তুলিলে । এইদৰে বংগ-ভংগ আন্দোলন 'স্বদেশী আন্দোলন' লৈ ৰূপান্তৰিত হ'ল ।

স্বদেশী আন্দোলনে চৰমপন্থী সকলক জনপ্ৰিয় কৰিলে মহাৰাষ্ট্ৰৰ বাল গংগাধৰ তিলক চৰমপন্থীসকলৰ নেতা হ'ল। তেওঁৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু স্বদেশ প্ৰেমে দেশবাসীক গভীৰ ভাবে আকৃষ্ট কৰিছিল আৰু

সৰ্বজনৰ 'লোকমান্য' হৈ পৰিছিল। তেওঁ বজ্ৰকণ্ঠে ঘোষণা কৰিছিল ঃ 'স্বাধীনতা মোৰ জন্মস্বত্ব, মই তাক পাবই লাগিব।' তিলকৰ লগতে বংগৰ অৰবিন্দ ঘোষ, বিপিনপাল দাস আৰু পঞ্জাবৰ লালা লাজপত ৰায় চৰমপন্থী সকলৰ প্ৰিয় নেতা হৈ উঠিছিল। তিলকৰ জনপ্ৰিয়তা দেখি বৃটিছ চৰকাৰে ভয় খাইছিল আৰু সন্ত্ৰাসবাদীৰ লগত জড়িত কৰি দীৰ্ঘ ছয় বছৰৰ বাবে ব্ৰহ্মদেশলৈ নিৰ্বাসন দিছিল কিন্তু নিৰ্বাসনৰ পৰা ঘূৰি আহিয়েই তিলকে ১৯১৬ চনত হোমৰুল নামেৰে এক শক্তিশালী আন্দোলনৰ গুৰি ব'ঠা ধৰিছিল। ইতিমধ্যে ভাৰতকে নিজা দেশ বুলি ভৱা আইৰিছ মহিলা মিছেছ এনি বেছান্টে আয়াৰ্লেণ্ডৰ আৰ্হিত 'হোমৰুল' সংঘ খুলি জনপ্ৰিয় নেত্ৰী হৈ উঠিছিল। লোকমান্য তিলক আৰু মিছেছ এনি বেছান্টে এতিয়া যুটীয়াভাৱে হোমৰুল আন্দোলন আৰম্ভ কৰিলে। এই আন্দোলনৰ লক্ষ্য আছিল বিদেশী আমোলাতন্ত্ৰৰ পৰিবৰ্তে জনসাধাৰণৰ শাসন প্ৰৱৰ্তন কৰা; বৃটিছ সাম্ৰাজ্যৰ ভিতৰতে স্বায়ত্বশাসন 'প্ৰতিষ্ঠা কৰা। তিলক আৰু বেছান্টৰ প্ৰভাৱে হেজাৰ হেজাৰ নৰ-নাৰীক এই আন্দোলনলৈ আকৃষ্ট কৰিলে। দেশৰ বিভিন্ন অঞ্চলত, এনেকি বিদেশতো আন্দোলনৰ শাখা স্থাপন হৈছিল। বৃটিছে কঠোৰ দমন নীতিৰে আন্দোলন দমাবৰ চেষ্টা কৰিলে। কিন্তু ইতিমধ্যে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাত ব্ৰিটিছক ভাৰতীয় মানুহৰ সহায়ৰ প্ৰয়োজন হৈছিল; সেয়েহে চৰকাৰে আপোচ কৰিবলৈ আগবাঢ়ি আহিল আৰু যুদ্ধৰ অন্তত সংস্কাৰ আইন ঘোষণা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াত আন্দোলন স্থগিত হ'ল।

**আপোনাৰ প্ৰগতি পৰীক্ষা কৰক ১**

(১) ইংৰাজসকল ভাৰতলৈ কি সূত্ৰে আহিছিল ?

..............................................................................................................

..............................................................................................................

(২) ১৮৫৭ চনটো কি কাৰণে স্মৰণীয় ?

..............................................................................................................

..............................................................................................................

(৩) এ, অ হিউম চাহাবে আহ্বান কৰা সভাৰ মূল উদ্দেশ্য কি আছিল ?

..............................................................................................................

..............................................................................................................

(৪) বঙ্গদেশক কোনে কি কাৰণে দুভাগত বিভক্ত কৰে ?

..............................................................................................................

..............................................................................................................

(৫) হোমৰুল আন্দোলনৰ গুৰিবঠা কোনে ধৰিছিল আৰু ইয়াত কোনে সহায়তা কৰিছিল ?

..............................................................................................................

..............................................................................................................

## ১১.১.২ মহাত্মা গান্ধীৰ আবিভাৱ

প্ৰথম বিশ্বযুদ্ধৰ আগছোৱাত ইংলণ্ডৰ ঘোৰ বিপৰ্য্যয় হৈছিল। এই সময়তে কিছুমান উগ্ৰ দেশপ্ৰেমিক আৰু সন্ত্ৰাসবাদীয়ে বৃটিছৰ শত্ৰুপক্ষৰ সহায় লৈ ভাৰতবৰ্ষ স্বাধীন কৰাৰ কথাও ভাবিছিল। তেনে সময়তে ভাৰতীয় ৰাজনৈতিক মঞ্চত এক ক্ষণজন্মা যুগনায়কৰ আবিৰ্ভাৱ হ'ল। তেৱেঁ হৈছে মোহনদাস কৰমচাঁদ গান্ধী, বিশ্বত যিজন 'মহাত্মা গান্ধী' নামেৰে পৰিচিত। তেওঁ আছিল প্ৰাচীন ভাৰতৰ অহিংসা, প্ৰেম সত্য আদি মূল্যবোধৰ মূৰ্ত প্ৰতীক। ইতিমধ্যে তেওঁ দক্ষিণ আফ্ৰিকাত 'বৰ্ণ-বিদ্বেষ 'ৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰি জনাজাত হৈছিল। ভাৰতলৈ উভতি আহি বিহাৰৰ চম্পাৰণৰ নীলখেতিৰ বনুৱা আৰু আহমেদাবাদৰ মিল বনুৱাৰ আন্দোলনক পৰিচালিত কৰি অপূৰ্ব সংগঠন শক্তিৰ পৰিচয় দিছিল। তেওঁ আছিল অহিংসাৰ পূজাৰী আৰু সত্যাগ্ৰহ আছিল তেওঁৰ অমোঘ অস্ত্ৰ। প্ৰথম বিশ্বযুদ্ধত তেওঁ ভাৰতবাসীক ইংৰাজ সকলক সহায়ৰ বাবে আহ্বান জনালে। গান্ধীজীয়ে ভাবিছিল যে সহায়ৰ প্ৰতিদানত ইংৰাজে কৃতজ্ঞ হৈ ভাৰতবাসক নিশ্চয় 'স্বৰাজ 'দিব। গান্ধীজীৰ আহ্বানত ভাৰতবাসীয়েও ইংৰাজক সকলো ধৰণেৰে সহায় কৰিছিল। গান্ধীজীয়ে ১৯১৯ চনত কংগ্ৰেছত যোগদান কৰিছিল আৰু তিলকৰ মৃত্যুৰ পিচত ১৯২০ চনৰ পৰা তেওঁ এই অনুস্থানলৈ ৰূপান্তৰিত হ'ল। তেওঁ অহিংসা নীতিৰে ভাৰতবাসীৰ স্বাধীনতা লাভৰ পথ সুগম কৰাৰ উপৰিও সামাজিক সংস্কাৰ আৰু সাম্প্ৰদায়িক ঐক্যৰ বান্ধোনেৰে নতুন যুগৰ সন্ধান দিছিল আৰু 'ভাৰতীয় জাতিৰ পিতৃ 'বুলি সমাদৃত হৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ পিচত বৃটিছ চৰকাৰে ১৯১৯ চনত ভাৰত-সংস্কাৰ আইন জাৰী কৰি ভাৰতবাসীক সামান্য ৰাজনৈতিক সুবিধা দি আভুৱা ভাৰিবলৈ বিচাৰিছিল। এই সংস্কাৰ আইনে ভাৰতবাসীক সম্পূৰ্ণ হতাশ কৰিলে। ইতিমধ্যে ভাৰতবাসীৰ জাতীয়তাবোধ ক্ৰমাৎ বৃদ্ধি পাই অহা দেখি তাক নিৰ্মূল কৰিবলৈ

বৃটিছে ৰাওলাট আইন নামৰ এক কুখ্যাত আইন জাৰী কৰিলে যাৰ দ্বাৰা সন্দেহযুক্ত যি কোনো ব্যক্তিকে বিনা বিচাৰে আটক কৰিব পৰা হ'ল। বৃটিছৰ অকৃতজ্ঞতাত ভাৰতবাসী ক্ষুব্ধ হৈ উঠিল আৰু এই ৰাওলাট আইনৰ প্ৰতিবাদত দেশ জুৰি হৰতাল পালন কৰা হ'ল। ৰাওলাট আইনৰ প্ৰতিবাদে ভয়ংকৰ ৰূপ লৈছিল। পঞ্জাৱত পৰিস্থিতি কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে সামৰিক আইন ঘোষণা কৰিছিল। ডাঃ সত্যপাল আৰু ডাঃ কিচলিউ নামৰ পঞ্জাৱৰ দুজন প্ৰিয় নেতাক বন্দী কৰাৰ প্ৰতিবাদত অমৃতচৰৰ জালিয়ানাবাগত ১৯১৯ চনৰ ১৩ এপ্ৰিলত কেইবাহেজাৰো মানুহ সমবেত হৈ সভা এখন অনুষ্ঠিত কৰিছিল। কিন্তু নিৰস্ত্ৰ এই মানুহখিনিৰ ওপৰত জেনেৰেল ৰেজিনাল্ড ডায়াৰ নামৰ সামৰিক বিষয়া এজনে গুলি চলোৱাৰ নিৰ্দেশ দিয়াত সমবেত জনতাৰ বহু শ জন মৃত্যুৰ মুখত পৰিল আৰু বহুতো আহত হ'ল। জালিৱানাবাগৰ এই নৃশংস হত্যাকাণ্ডত সমগ্ৰ ভাৰতবাসী শিয়ঁৰি উঠিল। ইমান দিনে বৃটিছৰ অনুৰক্ত হৈ থকা মানুহো এতিয়া বৃটিছ-বিৰোধী-হৈ উঠিল।

## ১১.১.৩ অসহযোগ আন্দোলন

এই ঘটনাৰ পিচতে মহাত্মা গান্ধীয়ে ১৯২০ চনত তেওঁৰ ঐতিহাসিক অসহযোগ আন্দোলন আৰম্ভ কৰিলে । অসহযোগেৰে তেওঁ বৃটিছ শাসন বিকল কৰি দিবলৈ বিচাৰিছিল কাৰণ তেওঁ জানিছিল ভাৰতবাসীৰ সহযোগ নাপালে এমুঠি ইংৰাজে বৃহৎ দেশ শাসন কৰিব নোৱাৰে । এই অসহযোগ তেওঁ সম্পূৰ্ণৰূপে অহিংসাৰে পালন কৰিবলৈ আহ্বান কৰিছিল; লগতে বিদেশী বস্তু বৰ্জন কৰি খদ্দৰ আৰু আন স্বদেশী বস্তু ব্যৱহাৰ কৰি আৰ্থিক স্বাৱলম্বিতা অনাৰ কথা কৈছিল । ইতিমধ্যে ১৯১৯ খৃঃ ত মহম্মদ আলি আৰু চৌকত আলি ভাতৃদ্বয়ৰ নেতৃত্বত ভাৰতীয় 'মুচলমানসকলে খিলাফৎ আন্দোলন 'নামৰ এক বৃটিছ বিৰোধী আন্দোলন আৰম্ভ কৰিছিল । গান্ধীজীয়ে হিন্দু-মুছলমানৰ ঐক্য সুদৃঢ় কৰিবলৈ খিলাফৎ আন্দোলনকো তেওঁৰ অসহযোগ আন্দোলনৰ লগত সামৰি লৈছিল ।

গান্ধীজীৰ আহ্বানৰ প্ৰতি সমগ্ৰদেশে স্বতঃস্ফূৰ্ত সহাঁৰি জনাইছিল । পণ্ডিত মতিলাল নেহৰু, দেশভক্ত চিত্তৰঞ্জন দাস, আদি ভাৰত বিখ্যাত উকিলৰ লগতে অসমৰ তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ আদি বহুতো উকিলে ওকালতি এৰিলে; বহুতে চৰকাৰী চাকৰি ইস্তফা দিলে; বহুতো ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজ এৰিলে । বৰদলি নামে ঠাইত খাজনাবন্ধ আন্দোলন হ'ল। জাতীয় শিক্ষানুষ্ঠান গঢ় লৈ উঠিল । বিদেশী বস্তু বৰ্জন আৰু খাদী জনপ্ৰিয় হ'ল। অস্পৃশ্যতা দূৰীকৰণৰ পৰিবেশ সৃষ্টি হ'ল। মুঠতে আন্দোলন অতি কৃতকাৰ্যতাৰে আগ বাঢ়িছিল আৰু বৃটিছ চৰকাৰ ভীতগ্ৰস্ত হৈ উঠিছিল । কিন্তু আন্দোলনকাৰীৰ একাংশই হিংসাৰ পথ লোৱাত গান্ধীজীয়ে বৰ দুখ পালে । ভাৰতবাসীয়ে তেওঁৰ সত্যাগ্ৰহ আন্দোলনৰ মৰ্ম বুজি উঠা নাই বুলি ভাবি আন্দোলন প্ৰত্যাহাৰ কৰিলে । আন্দোলনৰ এনে ভৰপক অৱস্থাত হঠাতে আন্দোলন, প্ৰত্যাহাৰ কৰাত গান্ধীজীয়ে ভুল কৰা বুলি বহুতে সমালোচনা কৰিলে । যুবনেতা সুভাষ বসুৱে গান্ধীজীয়ে জাতীয় দুযোগ সৃষ্টি কৰা বুলি কটূক্তি কৰিলে । জৱাহৰলাল নেহৰুৱে প্ৰথমতে সমালোচনা কৰিছিল যদিও পিচত যুক্তিসংগত হোৱা বুলি কৈছিল । যিকি নহওক, গান্ধীজীৰ জনপ্ৰিয়তা সামান্য হ'লেও হ্ৰাস পাইছিল । বৃটিছে এই সুযোগতে গান্ধীজীক ৰাজদ্ৰোহী সাব্যস্ত কৰি কাৰাদণ্ড দিলে; অৱশ্যে পিচত স্বাস্থ্যজনিত কাৰণত মুক্তি দিয়ে ।

অসহযোগ আন্দোলন ব্যৰ্থ হোৱাৰ পিচত ১৯২৩ চনত দেশভক্ত চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৰ নেতৃত্বত কংগেছৰ ভিতৰতে স্বৰাজিষ্ট পাৰ্টি নামেৰে এটা উপদল গঠিত হ'ল। এইদলে অসহযোগৰ বিপৰীতে বিধানসভাত যোগদান কৰি ভিতৰৰ পৰা গণ-বিৰোধী আইনক বাধা দি চৰকাৰক বিকল কৰিবলৈ বিচাৰিছিল । দলটো কিছু জনপ্ৰিয় হৈছিল আৰু আন্দোলনক সজীৱ কৰি ৰাখিছিল; বিধান সভাত সোমাই যথেষ্ট কামো কৰিছিল । কিন্তু ১৯২৫ চনত দেশভক্ত দাসৰ অকাল মৃত্যুত স্বৰাজিষ্ট পাৰ্টিৰ বল টুটি আহিল । দেশবাসীৰ চকু আকৌ গান্ধীজীৰ ওপৰত হে পৰিল আৰু তেওঁৰ নেতৃত্ব সকলোৰে কাম্য হ'ল।

১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা জাতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনত দেশৰ বাবে 'পূৰ্ণ-স্বাধীনতা 'দাবী কৰা হয় । ১৯৩০ চনত মহাত্মা গান্ধীয়ে বিখ্যাত আইন অমান্য আন্দোলন আৰম্ভ কৰিলে । তেওঁ নিজে সবৰমতী আশ্ৰমৰ পৰা সাগৰ পাৰৰ দাণ্ডিলৈ এদল সত্যাগ্ৰহীৰ সৈতে লোণ আইন ভংগ কৰিবলৈ পদযাত্ৰা কৰিলে । সমগ্ৰ ভাৰতবৰ্ষত এই ঘটনাই এক শিহৰণ জগালে । গান্ধীজীৰ এই দাণ্ডি যাত্ৰাক শ্ৰীৰামচন্দ্ৰৰ লংকা যাত্ৰাৰ লগত তুলনা কৰা হয় । অহিংসা নীতিৰে আইন অমান্য আন্দোলন কৃতকাৰ্য কৰি তুলিলে এবছৰতে স্বৰাজ পোৱাৰ কথা গান্ধীজীয়ে উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছিল । গান্ধীজীৰ আহ্বানৰ প্ৰতি দেশবাসীয়ে ব্যাপকভাৱে সহাঁৰি জনালে । দেশৰ চুকে-কোনে আকৌ প্ৰবল বিপ্লৱৰ জোৱাৰ উঠিছিল । আন্দোলনৰ তীব্ৰতাত বৃটিছ শাসনৰ ভেটি কঁপি উঠিছিল । কংগ্ৰেছৰ লগত আপোচ কৰিবলৈ চৰকাৰ বাধ্য হ'ল আৰু 'গান্ধী-আৰুইন চুক্তি' সম্পাদিত হ'ল। চুক্তিমতে চৰকাৰে অহিংস আন্দোলনকাৰীক মুক্তি দিব আৰু গান্ধীজীয়ে আন্দোলন স্থগিত কৰি লণ্ডনত বহা ঘূৰণীয়া মেজ মেলত কংগেছৰ প্ৰতিনিধি হিচাপে স্বৰাজ দাবী কৰিব কিন্তু সাম্ৰাজ্যবাদী বৃটিছে প্ৰধান মন্ত্ৰী চাৰ্চিলে লণ্ডনত গান্ধীজীক 'নঙঠা ফকিৰ' বুলি উপলুঙাহে কৰিলে আৰু গান্ধীজী হতাশ মনেৰে 'খালি হাতে' ৰে ঘূৰি আহিব লগা হ'ল।

## ১১.১.৪ সন্ত্ৰাসবাদী আৰু অন্যান্য বিপ্লৱী দল

ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে জাতীয় কংগ্ৰেছে চলোৱা আন্দোলনৰ উপৰিও বিভিন্ন দল-উপদলে একে লক্ষ্যৰে, কিন্তু ভিন্ন নীতিৰে আন্দোলন চলাইছিল। কিছুমান যুবকে মহাত্মা গান্ধীৰ অহিংসা নীতিত আস্থা

হেৰুৱাইছিল আৰু সন্ত্ৰাসবাদীৰ পন্থা লৈছিল। সন্ত্ৰাসবাদীৰ পন্থা লোৱা সকলে ইংৰাজ বিষয়াক হত্যা কৰিছিল, থানা বা চৰকাৰী কাৰ্যালয় ধ্বংস কৰিছিল আৰু অস্ত্ৰাগাৰ লুন্ঠন কৰিছিল। সন্ত্ৰাসবাদী সকলৰ ঘাই কেন্দ্ৰ আছিল বংগদেশৰ চট্টগ্ৰাম, মেদিনীপুৰ, ময়মনচিং আদি অঞ্চল, মহাৰাষ্ট্ৰৰ পুণে আৰু সমগ্ৰ পঞ্জাৱ প্ৰদেশ। বংগদেশৰ অনুশীলন সমিতি পঞ্জাবৰ গদৰ পাৰ্টি নবজোৱান ভাৰত সংঘ আদি আছিল কিছুমান সন্ত্ৰাসবাদী দল। চৰকাৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। বহুতক ফাঁচী বা গুলিয়াই হত্যা কৰিছিল, বহুতক যাৱজ্জীৱন কাৰাদণ্ড দিছিল বা অন্যান্য কঠোৰ শাস্তি বিহিছিল। এই সন্ত্ৰাসবাদী সকলৰ কাৰ্যকলাপ শুদ্ধ হয়তো নাছিল, কিন্তু তেওঁলোকৰ সাহস, ত্যাগ আৰু দেশপ্ৰেমে চৰকাৰক যথেষ্ট ভয় খুৱাইছিল আৰু দেশবাসীক যোগাইছিল অফুৰন্ত প্ৰেৰণা। চন্দ্ৰশেখৰ আজাদ, যশপাল, বাৰীণ ঘোষ, ভূপেন্দ্ৰ নাথ দত্ত, বাঘা যতীন, উধম সিং আদি সন্ত্ৰাসবাদীসকলে ইংৰাজ সকলৰ মনত যিদৰে আতংকৰ সৃষ্টি কৰিছিল, ভাৰতবাসীক দিছিল দেশাত্মবোধৰ প্ৰেৰণা। চট্টগ্ৰামৰ অস্ত্ৰাগাৰ লুণ্ঠনৰ নেতৃত্ব দিয়া সূৰ্যসেনৰ দুদৰ্মনীয় মনোভাৱ, মহাৰাষ্ট্ৰৰ ভি-ভি-চাভাৰকাৰৰ অদম্য সাহস, গদৰ পাৰ্টিৰ হৰদয়াল আৰু অন্যান্যৰ দেশপ্ৰেম কিম্বদন্তী যেন হৈ উঠিছিল। ৰুছদেশৰ অক্টোবৰ বিপ্লৱেও বহুতো ভাৰতীয় দেশপ্ৰেমিকক অনুপ্ৰাণিত কৰিছিল আৰু সাম্যবাদী দল গঢ় লৈ উঠিছিল। শিখ যুবক ভগৎসিঙে সুখদেব আৰু বটুকেশ্বৰ দত্তৰ লগ হৈ দিল্লীৰ পাৰ্লিয়ামেন্টৰ মজিয়াত বোমা নিক্ষেপ কৰি সাম্ৰাজ্যবাদ বিৰোধী ধ্বনি দিছিল। ভগৎসিঙৰ ফাঁচী আৰু তেওঁৰ আদৰ্শই অজস্ৰ ভাৰতীয় যুবকক অনুপ্ৰাণিত কৰিছিল।

বৃটিছৰ বিভাজন নীতিৰ ফলত কিছুমান সাম্প্ৰদায়িক দলো এই সময়তো গঢ় লৈ উঠিছিল । ইয়াৰ ভিতৰত মুছলিম লীগ বিশেষ উল্লেখযোগ্য । ১৯০৬ চনত মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ বাবে কিছুমান মুছলমান নেতাই এই মুছলিম লীগ গঠন কৰিছিল । প্ৰথমছোৱাত এই দল বৃটিছ বিৰোধী নাছিল আৰু ইংৰাজেও হিন্দুৰ বিৰুদ্ধে এইদলক কাৰ্যত খটুৱাইছিল । কিন্তু পিচত এই দল বৃটিছ বিৰোধী হৈ উঠিছিল আৰু অসহযোগ আন্দোলনত যোগ দিছিল । মুছলিম লীগে বৃটিছক খেদি দেশ স্বাধীন কৰিবলৈ বিভিন্ন পৰ্যায়ত আন্দোলন চলাইছিল । সেইদৰে হিন্দু মহাসভা, শিখ-আকালী আদি সাম্প্ৰদায়িক দলেও কংগ্ৰেছৰ লগতে বিভিন্ন আন্দোলন কৰিছিল ।

## ১১.১.৫ বৃটিছৰ বিভাজন নীতি আৰু ১৯৩৫ চনৰ ভাৰত-আইন ঃ

বিভিন্ন মুক্তি আন্দোলনে বৃটিছ চৰকাৰক যথেষ্ট ভয় খুৱাইছিল আৰু 'বিভাজন আৰু শাসন'ৰকূট-কৌশলক অধিক সফল কৰি তুলিবলৈ যত্নপৰ হৈছিল । কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰি কঠোৰ দমন-নীতি প্ৰয়োগ কৰিছিল; হিন্দু-মুছলমানৰ বিভাজনত কিছু কৃতকাৰ্য লাভ কৰি এইবাৰ হিন্দুৰ মাজতে বৰ্ণহিন্দু আৰু অনুসুচীতৰ বিভেদৰ ভাৱ জগাবলৈ চেষ্টা চলিল । মহাত্মা গান্ধীয়ে এনে বিভাজন কাৰ্যৰ প্ৰতিবাদত অনশন কৰি সংহতি বজায় ৰাখিছিল ।

আন্দোলন দুৰ্বল কৰিবলৈ বৃটিছে আপোচ নীতিও অনুসৰণ কৰিছিল । ১৯৩৫ চনত ভাৰত সংস্কাৰ আইনৰ যোগেদি কিছু ৰাজনৈতিক সুবিধা দিবলৈ বিচাৰি কেন্দ্ৰ আৰু প্ৰদেশবোৰত নিৰ্বাচিত প্ৰতিনিধিক মন্ত্ৰীসভা গঠনৰ ক্ষমতা দিয়ে । কিন্তু গভৰ্ণৰ জেনেৰেল আৰু প্ৰাদেশিক গভৰ্ণৰৰ ক্ষমতা আগৰ দৰেই অটুট ৰাখিলে; তেওঁলোকে ইচ্ছা কৰিলে মন্ত্ৰীসভাৰ প্ৰস্তাৱ নাকচ কৰিবও পাৰে । এনে আভুৱাভৰা আইনে ভাৰতবাসীক সন্তুষ্ট কৰিব নোৱাৰিলে । তথাপি জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগে ইয়াক গ্ৰহণ কৰি নিৰ্বাচন যুদ্ধত নামিল । এঘাৰখন প্ৰদেশৰ আঠখনত কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা লাভ কৰিলে । আনকি মুছলমান সংখ্যাগৰিষ্ঠ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত সীমান্ত গান্ধী খান আব্দুল গফুৰ খানৰ নেতৃত্বত কংগ্ৰেছ দলহে জয়ী হৈছিল । অসমত প্ৰথমতে লীগে মন্ত্ৰীসভা গঠন কৰিলেও কংগ্ৰেছ সভাপতি সুভাষ বসুৰ প্ৰভাৱত পিচত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছৰ সংযুক্ত মন্ত্ৰীসভা গঠিত হ'ল। বংগ আৰু সিন্ধুত লীগে আৰু পঞ্জাৱত কংগ্ৰেছ আকালি সংযুক্ত মন্ত্ৰীসভা হ'ল। কিন্তু ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে নিৰ্বাচিত মন্ত্ৰীসভাক সম্পূৰ্ণ আওকান কৰি গভৰ্ণৰ জেনেৰেলে ভাৰতবৰ্ষও ইংলণ্ডৰ লগত জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধৰত বুলি ঘোষণা কৰিলে । গৰ্ভণৰ জেনেৰেলৰ এনে স্বেচ্ছাচাৰী কাৰ্যৰ প্ৰতিবাদত কংগ্ৰেছ মন্ত্ৰীসভাই সকলোতে ইস্তফা দিয়ে ।

বৃটিছ হিন্দু-মুছলমানৰ বিভাজন আনিবলৈ ইমানদিনে যি চেষ্টা কৰিছিল অৱশেষত সেই চেষ্টা ফলৱতী হ'ল। মহম্মদ আলি জিন্নাৰ নেতৃত্বত মুছলিম লীগে ১৯৪০ চনত মুছলমানৰ বাবে মুছলিম সংখ্যাগৰিষ্ঠ প্ৰদেশ লৈ 'পাকিস্তান 'নামে স্বাধীন মুছলমান ৰাষ্ট্ৰৰ দাবী তুলিলে । মৌলনা আবুল কালাম আজাদ, খান আব্দুল গফুৰ খান, ৰফি আহমদ কিডোৱাই আদি নেতা সকলে পাকিস্তান দাবীৰ প্ৰতিবাদ কৰিলে আৰু ধৰ্মনিৰপেক্ষ মনোভাৱেৰে কংগ্ৰেছে কৰা অখণ্ড ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামত বীৰ সৈনিকৰ দৰে যুজিবলৈ ধৰিলে ।

ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধই ভয়াবহ ৰূপ ললে । ভাৰতবাসীৰ পূৰ্ণ সহযোগ নাপালে সাম্ৰাজ্য জীয়াই ৰখা টান হ'ব বুলি বৃটিছে বুজিলে আৰু সেয়েহে তেওঁলোকে ইংলণ্ডৰ প্ৰতিৰক্ষা মন্ত্ৰী ছাৰ ষ্টফোৰ্ড ক্ৰীপছক যুদ্ধত ভাৰতবাসীৰ পূৰ্ণ সহযোগ লাভ কৰাৰ বাবে পঠাই দিলে । ক্ৰীপছে কংগ্ৰেছ আৰু লীগৰ লগত আলোচনা কৰি যুদ্ধৰ অন্তত ভাৰতৰ বাবে নতুন সংবিধান এখন ৰচনাৰ কথা ঘোষণা কৰিলে। কিন্তু কংগ্ৰেছ আৰু লীগে ক্ৰীপছৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে; ক্ৰীপছৰ মিছন ব্যৰ্থ হ'ল।

**আপোনাক প্ৰগতি পৰীক্ষা কৰক ২**

(১) মহাত্মা গান্ধীয়ে কেতিয়া কংগ্ৰেছত যোগ দান কৰে ?

..................................................................................................................

..................................................................................................................

(২) ৰাওলাট আইন কি ?

..................................................................................................................

..................................................................................................................

(৩) খিলাফৎ আন্দোলন কোনে কিয় আৰম্ভ কৰে ?

..................................................................................................................

..................................................................................................................

(৪) গান্ধীজীয়ে অসহযোগ আন্দোলন হঠাতে প্ৰত্যাহাৰ কৰাৰ কাৰণ কি আছিল ?

..................................................................................................................

..................................................................................................................

(৫) পাঁচজনমান সন্ত্ৰাসবাদী আন্দোলনকাৰীৰ নাম লিখক ।

..................................................................................................................

..................................................................................................................

(৬) পাকিস্তানৰ দাবী কোনে তুলিছিল ? কোনো মুছলিম নেতাই ইয়াৰ প্ৰতিবাদ কৰিছিল নেকি ?

..................................................................................................................

..................................................................................................................

## ১.১.৬ সুভাষ চন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজ

গান্ধীজীৰ অহিংসা নীতিত আস্থা নাৰাখি ভিন্ন নীতিৰে ভাৰতবৰ্ষৰ স্বাধীনতা বিচৰা সকলৰ অন্যতম আছিল যুবনেতা সুভাষ চন্দ্ৰ বসু। তেওঁ যুৱ শক্তিলৈ আহ্বান দিছিলঃ 'মোক তেজ দিয়া, মই স্বাধীনতা আনি দিম।' তেওঁ প্ৰয়োজন হ'লে ব্ৰিটিছৰ শত্ৰুপক্ষৰ সহায় লৈ হ'লেও স্বাধীনতা বিচাৰিছিল। চৰকাৰে তেওঁক গৃহবন্দী কৰি ৰাখিছিল। কিন্তু পুলিচৰ চকুত ধুলি মাৰি তেওঁ ১৯৪১ চনত পলাই গৈছিল; প্ৰথমতে জামেনী আৰু তাৰ পৰা জাপান পাইছিলগৈ। জাপানৰ হাতত চিঙ্গাপুৰ, মালয়, ব্ৰহ্মদেশ আদিৰ যুদ্ধত ইংৰাজ বাহিনীত কাম কৰা বহুতো ভাৰতীয় সৈন্য বন্দী হৈছিল। বসুৱে জাপানৰ লগত চুক্তি কৰি এই ভাৰতীয় বন্দী সৈন্যবোৰক যুক্ত কৰি 'আজাদ ছিন্দ ফৌজ' নামেৰে সৈন্য বাহিনী এটা গঠন কৰিলে। সৈনিকসকলৰ ওচৰত তেওঁ মৰমৰ 'নেতাজী' হৈছিল। এই আজাদ হিন্দ সৈন্য বাহিনীয়ে 'জয় হিন্দ', 'দিল্লী চলো' ধ্বনিৰে ব্ৰহ্মদেশেদি ভাৰতবৰ্ষৰ পূৰ্ব সীমান্তলৈ আগবাঢ়ি আহিল।

## ১.১.৭ ভাৰত-ত্যাগ আন্দোলন

জাতীয় কংগ্ৰেছে যুদ্ধৰ অন্তত পূৰ্ণ স্বাধীনতাৰ প্ৰতিশ্ৰুতি আৰু তাৰ আগতে অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিবলৈ পালে যুদ্ধত গনতান্ত্ৰিক শক্তি হিচাপে ইংলণ্ডক সহায় কৰাৰ কথা ভাৱিছিল। কিন্তু তেনে প্ৰতিশ্ৰুতি নোপোৱাত ভাৰতবাসীৰ ইংৰাজৰ প্ৰতি আস্থা নাইকিয়া হ'ল। ভাৰতবৰ্ষত ইংৰাজ শাসন থকা বাবেহে জাপানী সৈন্যই ভাৰতবৰ্ষ আক্ৰমণ কৰিবলৈ আহিছে বুলি আৰু বৃটিছ গ'লে এই আক্ৰমণৰ কাৰণ নাথাকে বুলি ভাৰতবাসীয়ে বুজিলে। ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে ভাৰতীয় জাতীয় কংগ্ৰেছৰ এক জৰুৰী অধিবেশন পতা হ'ল আৰু মহাত্মা গান্ধীয়ে 'কুইট ইণ্ডিয়া' বা বৃটিছৰ ভাৰত-ত্যাগ দাবী উত্থাপন কৰিলে। সেই দাবীৰ পৰিপেক্ষিতত ৯ আগষ্টৰ পৰা সমগ্ৰ ভাৰত ব্যাপী গণ আন্দোলনৰ আহ্বান জনালে। ৯ আগষ্টৰ ৰাতিপুৱাতেই গান্ধী, আজাদ, নেহৰু, পেটেল আদি সকলো নেতাকে পুলিচে গ্ৰেপ্তাৰ কৰিলে যদিও গান্ধীজীৰ গণ-আন্দোলনৰ আহ্বান সমগ্ৰ দেশতে বনজুইৰ দৰে বিয়পি পৰিল। হেজাৰ হেজাৰ পুৰুষ মহিলাই আন্দোলনত জপিয়াই পৰিল। এনে ধৰণৰ দেশ ব্যাপী গণ আন্দোলন ভাৰতত আগতে হোৱা নাছিল। কিন্তু নেতাসকলৰ অধিকাংশই আটক অৱস্থাত থকাৰ কাৰণে এই গণ-আন্দোলন সুপৰিকল্পিত নহ'ল; যথেষ্ট হিংসাত্মক ঘটনা ঘটিবলৈ ধৰিছিল। পুলিচী নিৰ্যাতন অতি কঠোৰ হ'ল। হেজাৰ হেজাৰ ডেকা-গাভৰু শ্বহীদ হ'ল, অজস্ৰ জন ঘুণীয়া হ'ল, জেল-হাজোত বিপ্লবী বন্দীৰে ঠাহ খাই পৰিল। আন্দোলনৰ হিংসাত্মক কাৰ্য্য বন্ধ বন্ধ কৰিবলৈ গান্ধীজীয়ে জেলতে ২১ দিনীয়া অনশন কৰিলে। কঠোৰ হাতেৰে অৱশেষত ইংৰাজে আন্দোলন কৰিলে যদিও এই গণ জাগৰণত বৃটিছে ভীষণ ভয় খালে। জোৰেৰে যে ভাৰতবৰ্ষ শাসন কৰি থকাতো সম্ভৱ নহয়, দেৰিকৈ হ'লেও বুজি পালে।

## ১১.১.৮ আজাদ হিন্দ ফৌজৰ বিচাৰ আৰু স্বাধীনতাৰ অগ্ৰগতি

ইতিমধ্যে নেতাজীৰ আজাদ হিন্দ ফৌজে অবিস্মৰণীয় বীৰত্বেৰে শক্তিশালী বৃটিছ সৈন্য বাহিনীৰ বিৰুদ্ধে যুঁজ দি মণিপুৰৰ উখৰুল অঞ্চলেদি নাগালেণ্ডৰ কহিমা পৰ্যন্ত আগবাঢ়ি আহিছিল। কিন্তু ৰচদ-পাতিৰ অভাৱ আৰু সময়ত জাপানী সহায়ো নোপোৱাত আত্মসমৰ্পন কৰিবলৈ বাধ্য হ'ল। দিল্লীৰ লালকিল্লাত বৃটিছ চৰকাৰে এই বন্দী সৈন্যবোৰক বিশ্বাসঘাটক আখ্যা দি ঐতিহাসিক বিচাৰ আৰম্ভ কৰিলে। কংগ্ৰেছী নেতা ভুলাভাই দেশাই, তেজবাহাদুৰ ছাপ্ৰু, আছফ আলি, জৱাহৰলাল নেহৰু আদিয়ে এই দেশপ্ৰেমিক সৈন্য বাহিনীৰ হৈ ওকালতিত বহিল। হিন্দু শিখ-মুছলমানৰ সাম্প্ৰদায়িক ঐক্যৰ আদৰ্শ আৰু দেশাত্মবোধেৰে উদ্বুদ্ধ হৈ এই সৈন্যবাহিনীয়ে যি ত্যাগ আৰু সাহসৰ নিদৰ্শন দেখুৱালে দেশবাসীয়ে এতিয়া বিস্তৃত গম পালে । জনসাধাৰণৰ মনত আকৌ দেশাত্মবোধ আৰু বৃটিছ বিৰোধিতাৰ জোৱাৰ আহিল। আনকি সৈন্যবাহিনীৰ বুজন অংশৰ ওপৰতে ইয়াৰ প্ৰভাৱ পৰিল। তাৰ ফলশ্ৰুতিত বোম্বেৰ নৌ বিদ্ৰোহ হ'ল। সৈন্যবাহিনীয়ে বিদ্ৰোহ কৰিলে যে ইংৰাজ চৰকাৰে এদিনো তিষ্ঠিব নোৱাৰিব তাকে ভাবি তেওঁলোক আতংকিত হ'ল। বিশ্বযুদ্ধই ইংলণ্ডৰ অৰ্থনীতিও সম্পূৰ্ণ ভাঙি দিছিল। আমেৰিকা, ৰুছীয়া আৰু চীনৰ নেতা সকলেও ভাৰতবৰ্ষক স্বাধীনতা দিবলৈ হেঁচা দিছিল। যুদ্ধৰ শেষত ইংলণ্ডত হোৱা নিৰ্বাচনত চাৰ্চিলৰ ৰক্ষণশীল দলৰ পৰাজয় আৰু ক্লিমেণ্ট এট্‌লিৰ নেতৃত্বাধীন বনুৱাদলৰ জয়লাভে ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পথ সুগম কৰিলে। বনুৱাদলে ভাৰতবৰ্ষক স্বাধীনতা দিয়াৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনত নামিছিল।

বৃটিছ চৰকাৰে ভাৰতক স্বাধীনতা দিয়াৰ ইচ্ছা ব্যক্ত কৰিলে। কিন্তু ইমান দিনৰ বৃটিছৰ 'বিভাজন নীতি' ফল স্বৰূপেই মুছলিম লীগে এতিয়া পাকিস্তানৰ দাবীত আঁকোৰগোজ হৈ উঠিল। কংগ্ৰেছে কিন্তু অখণ্ড ভাৰত আৰু সাম্প্ৰদায়িক ঐক্যৰ বাবে সদায় যুজি আহিছিল। কংগ্ৰেছ আৰু মুছলিম লীগৰ যথাসম্ভৱ সমন্বয়সূত্ৰ উলিয়াবৰ বাবে ৰাজা গোপালাচাৰীৰ আঁচনি আৰু তাৰ পিচত ছিমলা সম্মিলনত গভৰ্ণৰ জেনেৰেল ৱাভেলে দাঙি ধৰা আঁচনি উত্থাপিত হ'ল। কিন্তু লীগৰ আঁকোৰগোজ মনোভাৱ আৰু চৰকাৰৰ দ্ব্যৰ্থবোধক কৌশলৰ বাবে আঁচনিবোৰ কাৰো গ্ৰহণ যোগ্য নহ'ল।

শেষত প্ৰধান মন্ত্ৰী এট্‌লিয়ে তেওঁৰ কেবিনেটৰ তিনিজন মন্ত্ৰীক সমাধান সূত্ৰ উলিয়াবলৈ ভাৰতলৈ পঠালে। এই কেবিনেট মিছনে কংগ্ৰেছ আৰু লীগৰ নেতা সকলৰ লগত আলোচনা কৰি ভাৰতবৰ্ষৰ প্ৰদেশবোৰক হিন্দু আৰু মুছলমানৰ সংখ্যাগৰিষ্ঠ কথালৈ লক্ষ্য ৰাখি তিনিটা সমষ্টিত ভাগ কৰি এক নতুন আঁচনি দাঙি ধৰিলে। কংগ্ৰেছে অনিচ্ছাৰে মানি লৈছিল কিন্তু লীগে বিৰোধিতা কৰিলে। অকল এয়ে নহয় ১৯৪৬ চনৰ ১৬ আগষ্টত লীগে পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰিলে। নোয়াখালি, ত্ৰিপুৰা, কলিকতা, বিহাৰ আদি ঠাইত ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষ লাগিল।

## ১১.১.৯ পাকিস্তানৰ সৃষ্টি আৰু স্বাধীনতা লাভ

ইংলণ্ডৰ বনুৱা চৰকাৰে ভাৰতবৰ্ষৰ ক্ষমতা ৰাখিব নোৱাৰিব বুলি বুজি, পৰিস্থিতি বেচি বেয়ালৈ যোৱাৰ আগতে ক্ষমতা হস্তান্তৰ কৰিবলৈ ব্যগ্ৰ হৈ উঠিল। ১৯৪৭ চনৰ মাৰ্চ মাহত ব্ৰিটিছ পাৰ্লিয়ামেণ্টে লৰ্ড মাউণ্টবেটেনক ক্ষমতা হস্তান্তৰৰ সকলো ক্ষমতা দি ৱাভেলৰ ঠাইত নতুন গভৰ্ণৰ জেনেৰেল কৰি পঠালে। মাউণ্টবেটেনে পৰিস্থিতি অধ্যয়ন কৰি বংগদেশ আৰু পঞ্জাৱৰ মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চল পূৰ্ববঙ্গ, পশ্চিম পঞ্জাৱ আৰু লগতে মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ বেলুচিস্থান, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু প্ৰদেশক লৈ পাকিস্তান আৰু অন্যান্য প্ৰদেশ লৈ ভাৰতৰাষ্ট্ৰৰ আচঁনি দাঙি ধৰিলে। কংগ্ৰেছে ইমান দিনে অখণ্ড ভাৰতৰ বাবেহে যুঁজি আহিছিল কিন্তু পৰিস্থিতিয়ে মাউন্টবেটেনৰ এই ভাৰত-বিভাজন আঁচনি গ্ৰহণ কৰিবলৈ বাধ্য কৰিলে। এইদৰে ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই হাজাৰ জনৰ ত্যাগ আৰু সংগ্ৰামৰ বিনিময়ত ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে। কিন্তু দেশখন দ্বিখণ্ডিত হোৱাত স্বাধীনতাৰ আনন্দত বিষাদৰ ছাঁ পৰিল। জৱাহৰলাল নেহৰু স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী আৰু চৰ্দাৰ বল্লভভাই পেটেল গৃহ আৰু উপ-প্ৰধান মন্ত্ৰী হৈ দেশ গঠনত লাগিল।

ভাৰতবৰ্ষৰ বহুতো সৰু-ডাঙৰ দেশীয় ৰাজ্য আছিল। চৰ্দাৰ পেটেলৰ যত্নত সৰহভাগ দেশীয় ৰাজ্যই অতি শীঘ্ৰে ভাৰতবৰ্ষৰ লগ লাগিল। ফৰাছীৰ অধীনত থকা চন্দন নগৰ, পণ্ডিচেৰী, কালিকট, মাহে আদি অঞ্চল ফৰাচী চৰকাৰে ভাৰত চৰকাৰক দি দিলে। কিন্তু পৰ্টুগীজৰ অধীনত থকা গোৱা, দমন, দিউক সহজতে এৰি দিব খোজা নাছিল; ১৯৫৬ চনত ভাৰত চৰকাৰে সামৰিক দল পঠাই এইবোৰ ঠাই মুক্ত কৰি লয়। এইদৰে সমগ্ৰ দেশ পৰাধীনতাৰ কবলৰ পৰা মুক্ত হৈ স্বাধীন হ'ল।

স্বাধীন ভাৰতবৰ্ষৰ বাবে সংবিধান যুগুত কৰিবলৈ সংবিধান কমিটি গঠন কৰি দিয়া হৈছিল। ডঃ আম্বেদকাৰৰ নেতৃত্বত এই কমিটিয়ে এখন নতুন সংবিধান যুগুত কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত এই সংবিধান কাৰ্যকৰী হোৱাৰ লগে লগে ভাৰতবৰ্ষ এখন ধৰ্ম-নিৰপেক্ষ সাৰ্বভৌম প্ৰজাতন্ত্ৰ ৰাষ্ট্ৰ হ'ল আৰু ডঃ ৰাজেন্দ্ৰ প্ৰসাদ প্ৰজাতন্ত্ৰ ভাৰতবৰ্ষৰ প্ৰথম ৰাষ্ট্ৰপতি হ'ল।

**আপোনাৰ প্ৰগতি পৰীক্ষা কৰক ২**

১) সুভাষ চন্দ্ৰ বসু কোন আছিল?

..........................................................................................................

..........................................................................................................

২) 'ভাৰত ত্যাগ' দাবী কেতিয়া উত্থাপতি হয়?

..........................................................................................................

..........................................................................................................

৩) গান্ধীজীয়ে কি কাৰণে ২১ দিনীয়া অনশন আৰম্ভ কৰিলে?

..........................................................................................................

..........................................................................................................

৪) ভাৰতৰ স্বাধীনতা লাভত ক্লিমেন্ট এট্‌লিৰ কিবা ভূমিকা আছে নেকি?

..........................................................................................................

..........................................................................................................

৫) মাউন্ট বেটেন দাণ্ডি ধৰা আঁচনিখনৰ সাৰমৰ্ম কি আছিল?

..........................................................................................................

..........................................................................................................

৬) চৰ্দাৰ পেটেলৰ ভূমিকা কি আছিল?

..........................................................................................................

..........................................................................................................

## ১১.২ মূল পাঠৰ সাৰাংশ

'ইষ্ট-ইণ্ডিয়া কোম্পানী' গঠন কৰি পোনতে বেপাৰ-বাণিজ্য কৰিবলৈ বুলি অহা ইংৰাজ সকলে চলে-বলে কৌশলে ভাৰতত বৃটিছ সাম্ৰাজ্য গঢ়ি তোলে আৰু ১৮৪৯ চনৰ ভিতৰত ভাৰতৰ প্ৰায় সৰ্বত্ৰ বৃটিছ সাম্ৰাজ্য বিস্তৃত হৈ ভাৰতবাসী বিদেশী ইংৰাজৰ পৰাধীন হয়। ১৮৫৭ চনত বিদেশী ইংৰাজ শাসনৰ বিৰুদ্ধে সংঘবদ্ধভাৱে এটা বিদ্ৰোহ হয় যদিও নেতৃত্ব, উন্নত অস্ত্ৰ-শস্ত্ৰৰ অভাৱ, স্বাৰ্থপৰ সামন্তশক্তি আৰু বুদ্ধিজীবীৰ অসযোগিতাৰ বাবে এই বিদ্ৰোহ কৃতকাৰ্য নহ'ল। তেতিয়াৰ পৰাই ভাৰতবৰ্ষৰ শাসনভাৰ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা বৃটিছ পাৰ্লিয়ামেন্টে নিজৰ হাতত তুলি ল'লে আৰু লগে লগে হিন্দু-মুছলমানৰ ঐক্য নষ্ট কৰি বিভেদৰ বীজ সিঁচি বিভেদ আৰু শাসন নীতিৰে নিজৰ শাসন অব্যাহত ৰাখিবলৈ যত্ন কৰিলৈ, কিন্তু উনবিংশ শতিকাৰ শেষভাগৰ পৰা পাশ্চাত্য শিক্ষাৰ প্ৰভাৱত ভাৰতবৰ্ষত এক নব জাগৰণে দেখা দিলে; জাতীয় ভাব আৰু স্বাধীনতা স্পৃহা বৃদ্ধি হ'ল; পৰাধীনতাৰ গ্লানি কি ভাৰতবাসীয়ে বুজিব পাৰিলে। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হোৱাৰ পিচৰ পৰা পৰাধীনতাৰ পৰা মুক্তি লাভ কৰা ভাৰতবাসীৰ একান্ত কাম্য হৈ পৰিল। অৱশ্যে প্ৰথম অৱস্থাত জাতীয় কংগ্ৰেছ চৰকাৰ বিৰোধী নাছিল, বৰং তোষামোদ নীতিৰে ভাৰতীয়ৰ বাবে সুশাসন প্ৰাৰ্থনা কৰাই আছিল এই অনুষ্ঠানৰ লক্ষ্য। কিন্তু সময়ৰ লগে লগে তোষামোদ নীতিৰে যে বিদেশী চৰকাৰৰ পৰা ন্যায্য বিচাৰ পাব নোৱাৰি সেই কথা উপলব্ধি কৰি কংগ্ৰেছৰ মাজতে এদল চৰমপন্থীৰ সৃষ্টি হয় আৰু চৰকাৰৰ বিৰুদ্ধে উগ্ৰনীতি অনুসৰণ কৰি স্বাধীনতা আদায় কৰাৰ এওঁলোক পক্ষপাতী আছিল। ১৯০৫ চনত বংগ-বিভাজনৰ পিচৰ পৰা চৰমপন্থীসকল জনপ্ৰিয় হৈ উঠে; বংগ-বিভাজনৰ বিৰুদ্ধে এক শক্তিশালী আন্দোলন আৰম্ভ হৈ বৃটিছ বিৰোধী মনোভাৱ তীব্ৰ হৈ উঠে। মহাৰাষ্ট্ৰৰ বাল গংগাধৰ তিলক, পঞ্জাবৰ লালা লাজপত ৰায়, বংগৰ বিপিন পাল দাস চৰমপন্থী সকলৰ প্ৰিয় নেতা হৈ পৰিছিল। এওঁলোকে জনসাধাৰণৰ মাজত প্ৰবল দেশপ্ৰেমৰ জোৱাৰ আনি স্বাধীনতাৰ প্ৰতি তীব্ৰভাৱ জগাই তুলিছিল। বাল গংগাধৰ তিলকে এনি বেছান্টৰ সৈতে হোমৰুল নামেৰে এক শক্তিশালী আন্দোলনৰ গুৰি বঠা ধৰি বিদেশী আমোলতন্ত্ৰৰ পৰিবৰ্তে জনসাধাৰণৰ শাসন প্ৰবৰ্তন কৰি 'স্বায়ত্ব শাসন' প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। হেজাৰ হেজাৰ নৰ-নাৰীয়ে এই আন্দোলনলৈ আগবাঢ়ি আহিছিল; চৰকাৰেও কঠোৰ দমন-নীতিৰে আন্দোলন দমাবৰ চেষ্টা কৰিছিল। কিন্তু ইতিমধ্যে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাত ব্ৰিটিছে আন্দোলনকাৰীৰ লগত আপোচ কৰিবলৈ আগবাঢ়ি আহিল; যুদ্ধৰ অন্তত সংস্কাৰ আইন ঘোষণা কৰা হব বুলি প্ৰতিশ্ৰুতি দিয়াত আন্দোলন স্থগিত হ'ল।

এই সময়তে ভাৰতীয় ৰাজনৈতিক মঞ্চত মহাত্মা গান্ধীৰ আবিৰ্ভাৱ হয়। অহিংসা, প্ৰেম আৰু সত্যৰ মূৰ্ত প্ৰতীক গান্ধীৰ আছিল অপূৰ্ব সংগঠন শক্তি; সত্যাগ্ৰহ আছিল তেওঁৰ আমোঘ অস্ত্ৰ। ১৯১৯ চনত গান্ধীয়ে কংগ্ৰেছত যোগ দিয়ে আৰু তিলকৰ মৃত্যুৰ পিছত ১৯২০ চনৰ পৰা তেওঁ কংগেছ অনুষ্ঠানৰ অপ্ৰতিদ্বন্দ্বী নেতা হৈ পৰিল। তেৱেঁই জাতীয় কংগ্ৰেছক এমুঠি বুদ্ধিজীৱীৰ অনুষ্ঠানৰ পৰা গণ-অনুষ্ঠানলৈ ৰূপান্তৰিত কৰে। তেওঁ অহিংসা নীতিৰে ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পথ সুগম কৰি তোলাৰ উপৰিও সামাজিক সংস্কাৰ আৰু সাম্প্ৰদায়িক ঐক্যৰ বান্ধোনেৰে নতুন যুগৰ সন্ধান দিছিল। অমৃতচৰৰ

জালিয়ানাবগত ১৯১৯ গনত বৃটিছে হেজাৰ হেজাৰ নিৰস্ত্ৰ জনসাধাৰণক গুলিয়াই নিহত আৰু আহত কৰাৰ পিচত মহাত্মা গান্ধীয়ে ১৯২০ চনত তেওঁৰ ঐতিহাসিক অসহযোগ আন্দোলন আৰম্ভ কৰি বটিছ শাসন বিকল কৰি দিবলৈ বিচাৰিছিল। লগতে বিদেশী বস্তু বৰ্জন কৰি স্বদেশী বস্তু ব্যৱহাৰ কৰি দেশবাসীক স্বাৱলম্বী হবলৈ আহ্বান কৰিছিল। তেওঁ যি আন্দোলন কৰিছিল সি আছিল সম্পূৰ্ণ অহিংস আন্দোলন। গান্ধীজীৰ আন্দোলনৰ প্ৰতি দেশবাসীয়ে স্বতঃস্ফূৰ্তভাৱে সহাঁৰি জনাইছিল আৰু আন্দোলন কৃতকাৰ্যতাৰে আগবঢ়াত বৃটিছে ভয় খাই উঠিছিল। কিন্তু আন্দোলনকাৰীৰ কিছু সংখ্যকে হিংসাৰ পথ লোৱাত গান্ধীজীয়ে এই অসমযোগ আন্দোলন ১৯২২ চনত প্ৰত্যাহাৰ কৰে। ১৯২৯ চনত বছা জাতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনত পূৰ্ণ স্বাধীনতা দাবী কৰা হয়। ১৯৩০ চনত গান্ধীয়ে বিখ্যাত লোন আইন অমান্য আন্দোলন কৰে আৰু আন্দোলনৰ তীব্ৰতাৰ ব্ৰিটিছ শাসনে ভয় খাই এক আপোচ চুক্তি কৰি আন্দোলনকাৰী সকলক মুক্তি দিয়ে আৰু লণ্ডনত বহিব লগা ঘূৰণীয়া মেজমেলত 'স্বৰাজ' উত্থাপন কৰাত সম্মত হয়। গান্ধীজীয়ে আৰম্ভ কৰা আন্দোলন সম্পূৰ্ণ অহিংস আছিল যদিও বহু সংখ্যক দল-উপদলে সন্ত্ৰাসবাদৰ জৰিয়তে স্বাধীনতা আনিব পাৰিব বুলি সন্ত্ৰাসবাদী পন্থা লৈছিল। বৃটিছে কঠোৰ হাতেৰে এই সন্ত্ৰাসবাদী সকলক দমন কৰিছিল। গান্ধীৰ অহিংস মুক্তি আন্দোলন আৰু অন্য দল- উপদলৰ বিভিন্ন সন্ত্ৰাসবাদী মুক্তি আন্দোলনে বৃটিছক ভীতিগ্ৰস্থ কৰি তুলিলে আৰু ১৯৩৫ চনত কিছু ৰাজনৈতিক সুবিধা দি কেন্দ্ৰ আৰু প্ৰদেশত নিৰ্বাচিত প্ৰতিনিধিক মন্ত্ৰীসভা গঠনৰ ক্ষমতা দিলে। কিন্তু ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাত নিৰ্বাচিত মন্ত্ৰীসভাক আওকান কৰি ভাৰতবৰ্ষও ইংলণ্ডৰ লগত যুদ্ধৰত বুলি ঘোষণা কৰাত নিৰ্বাচিত মন্ত্ৰীসভাবোৰে পদত্যাগ কৰে। ১৯৪১ চনত সুভাষ বসুৱে গান্ধীৰ অহিংসা নীতিত বিশ্বাস হেৰুৱাই আজাদ হিন্দ ফৌজ গঠন কৰি জাপানৰ সহায়ত বৃটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। বসুৰ উদ্দেশ্য সফল নহল যদিও তেওঁৰ প্ৰবল দেশাত্মবোধে জনসাধাৰণক উদ্দীপ্ত কৰি তুলিলে। ১৯৪২ চনত গান্ধীয়ে বৃটিছে ভাৰত এৰি যোৱাৰ বাবে বিখ্যাত 'কুইট ইণ্ডিয়া' বা 'ভাৰত-ত্যাগ' দাবী উত্থাপন কৰিলে আৰু সমগ্ৰ ভাৰতব্যাপী গণ-আন্দোলন আহ্বান কৰিলে। এই গণ-আন্দোলন এনে দেশ-ব্যাপী হৈছিল যে পূৰ্বতে এনে ধৰণৰ আন্দোলন ভাৰতবাসীকে প্ৰত্যক্ষ কৰা নাছিল। দেশৰ মুক্তিৰ বাবে হেজাৰ হেজাৰ জনে এই আন্দোলনত অংশ গ্ৰহণ কৰিছিল; বৃটিছ চৰকাৰৰ কঠোৰ দমন-নীতিৰ ফলত বহু ডেকা-গাভৰু শ্বহীদ হৈছিল, বহুজন সুনীয়া হৈছিল, বিপ্লৱী বন্দীৰে জেল-হাজোত ভৰি পৰিছিল। এই আন্দোলনত যথেষ্ট হিংসাত্মক ঘটনা ঘটিছিল আৰু হিংসাৰ মনোবৃত্তি দেখি গান্ধীজীয়ে ২১ দিনীয়া অনশন পালন কৰিছিল। '৪২ ৰ এই গণ-আন্দোলনত বৃটিছে উপলব্ধি কৰিব পাৰিলে যে জোৰেৰে ভাৰতবৰ্ষ শাসন কৰি থকাতো তেওঁলোকৰ পক্ষে সম্ভৱ নহয় । ইফালে দ্বিতীয় বিশ্বযুদ্ধই ইংলণ্ডৰ অৰ্থনীতি ভাঙি পেলোৱাত আৰু আমেৰিকা, ৰুছীয়া, চীন আদি দেশে ভাৰতক স্বাধীনতা দিবলৈ হেচা দিয়াত বৃটিছ চৰকাৰে ভাৰতক স্বাধীনতা দিয়াৰ ইচ্ছা প্ৰকাশ কৰিলে। এই সময়তে বৃটিছৰ বিভাজন নীতিৰ ফলত হিন্দু-মুছলমানৰ যি অনৈক্যই দেখা দিছিল তাৰ ফল স্বৰূপতে মুছলিম লীগে ভাৰতক খণ্ডিত কৰি মুছলমানৰ বাবে সুকীয়া ৰাষ্ট্ৰ 'পাকিস্তান' সৃষ্টি কৰাত আকোৰগোঁজ হৈ উঠিল। কংগ্ৰেছৰ ফালৰ পৰা আৰু বৃটিছ চৰকাৰৰ তৰফৰ পৰা যথাসম্ভৱ সমন্বয়ৰ সূত্ৰ আৰু আঁচনি দাঙি ধৰা হৈছিল যদিও লীগৰ বিৰোধিতাত কোনোটোৱেই সফলতা লাভ নকৰিলে; বৰং পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰামহে কৰিলে। অৱশেষত বৃটিছ চৰকাৰে ক্ষমতা হস্তান্তৰ কৰিবৰ কৰিণে লৰ্ড মাউন্টবেটেনক ভাৰতৰ গভৰ্ণৰ জেনেৰেল কৰি পঠালে আৰু মাউন্টবেটেনে পৰিস্থিতি অধ্যয়ন কৰি বংগদেশ আৰু পঞ্জাবৰ মুচলীম সংখ্যাগৰিষ্ঠ অঞ্চল লৈ পূৰ্ববঙ্গ আৰু পশ্চিম পঞ্জাৱ আৰু লগতে মুছলীম সংখ্যা গৰিষ্ঠ প্ৰদেশ বেলুচিস্থান, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু প্ৰদেশ লৈ পাকিস্তান আৰু অন্যান্য প্ৰদেশলৈ ভাৰত ৰাষ্ট্ৰ আচনি দাঙি ধৰিলে; কংগ্ৰেছে ইমান দিনে অখণ্ড ভাৰতবৰ্ষৰ বাবেহে যুজি আহিছিল যদিও পৰিস্থিতিয়ে মাউন্টবেটেনক আঁচনি গ্ৰহণ কৰিবলৈ বাধ্য কৰিলে। এনেদৰেই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই হেজাৰ জনৰ ত্যাগ আৰু সংগ্ৰামৰ বিনিময়ত ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে আৰু বিদেশী শাসন ওফৰাই নিজা চৰকাৰ গঠন কৰিলে। জৱাহৰলাল নেহৰু স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হ'ল। দেশে স্বাধীনতা লাভ কৰাৰ পিচত গৃহমন্ত্ৰী চৰ্দাৰ পেটেলৰ চেষ্টাত ভাৰতৰ সৰুডাঙৰ দেশীয় ৰাজ্যসমূহ ভাৰতৰ লগ লাগিল আৰু ফৰাচীৰ অধীনত থকা পণ্ডিচেৰী, চন্দননগৰ আদি ফৰাচী চৰকাৰে ভাৰতকে দি দিলে। পৰ্টুগীজৰ অধীনত থকা গোৱা, দমন, দিউ পৰ্টুগীজ চৰকাৰে এৰি দিয়া নাছিল যদিও শেষত ১৯৫৬ চনত ভাৰত চৰকাৰে সামৰিক শক্তিৰে এই কেইখন ঠায়ো ভাৰতৰ লগ লগাই লয়। স্বাধীন ভাৰতবৰ্ষৰ নিজা সংবিধান ডঃ আম্বেদকাৰৰ নেতৃত্বত যুগুত কৰা হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীত এই সংবিধান কাৰ্যকৰী হোৱাৰ লগে লগে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ সাৰ্বভৌম প্ৰজাতন্ত্ৰ ৰাষ্ট্ৰ হ'ল।

## ১১.৩ সাধাৰণ অনুশীলনী

### ১১.৩.১ বোধজ্ঞান অনুশীলনী

১। ওপৰৰ পাঠটোৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে তিনিটাকৈ বিকল্প দিয়া হৈছে। এতিয়া শুদ্ধটো বাচি লৈ √ চিন দিয়ক।

ক) ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম সূচনা হৈছিলঃ

১। ১৮৪৯ চনত

২। ১৮৫৭ চনত

৩। ১৭৫৭ চনত

খ) ইষ্ট-ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ভাৰতবৰ্ষৰ শাসনভাৰ বৃটিছ পাৰ্লিয়ামেন্টে পোন পটীয়া ভাৱে ললে-
১। ১৭৫৭-ৰ পলাচীৰ যুদ্ধৰ পিচৰ পৰা
২। ১৮৮৫-ত ভাৰতীয় জাতীয় কংগেছৰ প্ৰতিস্ঠা হোৱাৰ পৰা
৩। ১৮৫৭-ৰ ভাৰতৰ প্ৰথম মুক্তি সংগ্ৰামৰ পিচৰ পৰা

গ) ভাৰতীয় জাতীয় কংগ্ৰেছ এমুঠি বুদ্ধিজীৱীৰ অনুষ্ঠানৰ পৰা গণ অনুষ্ঠানলৈ ৰূপান্তৰিত হয় -
১। বাল গংগাধৰ তিলকে নেতৃত্ব লোৱাৰ পৰা
২। মহাত্মা গান্ধীয়ে নেতৃত্ব লোৱাৰ পৰা
৩। এনি বেছান্টে 'হোমৰুল সংঘ' খুলি আন্দোলন আৰম্ভ কৰাৰ পৰা

ঘ) মহাত্মা গান্ধীয়ে ঐতিহাসিক অসহযোগ আন্দোলন আৰম্ভ কৰে -
১। ১৯৩০ চনত
২। ১৯২০ চনত
৩। ১৯১৯ চনত

ঙ) 'পূৰ্ণ স্বাধীনতা' দাবী কৰা হয় -
১। ১৯০৭ চনৰ চুৰাট অধিবেশনত
২। ১৯৪২ চনৰ বোম্বে অধিবেশনত
৩। ১৯২৯ চনৰ লাহোৰ অধিবেশনত

চ) কেন্দ্ৰাৰু প্ৰদেশবোৰত নিৰ্বাচিত প্ৰতিনিধিক মন্ত্ৰীসভা গঠনৰ ক্ষমতা দিয়া হৈছিল।
১। ১৯০৬ চনত মুছলমান নেতা কিছুসংখ্যক মুছলিম লীগ গঠন কৰাৰ পৰা
২। ১৯৩০ চনত বিখ্যাত আইন অমান্য আন্দোলন কৰাৰ পৰা
৩। ১৯৩৫ চনত ঘোষণা কৰা ভাৰত সংস্কাৰ আইনৰ পৰা

ছ) ভাৰতী সংবিধান যুগুত কৰা হৈছিল -
১। জৱাহৰলাল নেহৰুৰ নেতৃত্বত
২। ডঃ আম্বেদকাৰৰ নেতৃত্বত
৩। চৰ্দাৰ বল্লাভভাই পেটেলৰ নেতৃত্বত

জ) বৃটিছ পাৰ্লিয়ামেন্টে ভাৰতক ক্ষমতা হস্তান্তৰ কৰাৰ বাবে সকলো ক্ষমতা অৰ্পন কৰিছিল -
১। গভৰ্ণৰ জেনেৰেল ৱাভেলক
২। লৰ্ড মাউন্ট বেটেনক
৩। ছাৰ ষ্টাফোৰ্ড ক্ৰীপছক

২। তলত দিয়া মন্তব্য পঢ়ি পাঠৰ জ্ঞানৰ ভিত্তিত সেইবোৰ শুদ্ধনে অশুদ্ধ চিহ্নিত কৰক। শুদ্ধ বুলি ভবা মন্তব্যবোৰ শুদ্ধ বুলি লেখা শব্দত √ চিন দিয়ক আৰু অশুদ্ধ বুলি ভবা মন্তব্যবোৰ অশুদ্ধ বুলি লেখা শব্দত √ চিন দিয়কঃ

ক) ১৭৫৭ চনৰ পলাচীৰ যুদ্ধৰ পিচতে ইষ্ট ইণ্ডিয়া কোম্পানীয় হাতৰ পৰা ভাৰতৰ শাসনভাৰ বৃটিছ পাৰ্লিয়ামেন্টে পোনপটীয়াভাৱে ল'লে। শুদ্ধ অশুদ্ধ

খ) গান্ধীয়ে ১৯১৯ চনত কংগ্ৰেছত যোগদান কৰিছিল। শুদ্ধ অশুদ্ধ

গ) ১৯২৯ চনৰ লাহোৰ অধিবেশনত কুইট ইণ্ডিয়া বা বৃটিছৰ 'ভাৰত ত্যাগ'ৰ দাবী উত্থাপন কৰা হয়। শুদ্ধ অশুদ্ধ

ঘ) মহাত্মা গান্ধীয়ে ১৯৩০ চনত তেওঁৰ ঐতিহাসিক আইন অমান্য আন্দোলন আৰম্ভ কৰে। শুদ্ধ অশুদ্ধ

ঙ) ১৯৪৭ চনৰ ১৬ আগষ্ট তাৰিখে মুছলিম লিগে পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰিছিল। শুদ্ধ অশুদ্ধ

চ) ১৯০৬ চনত মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ বাবে কিছুমান মুছলমান নেতাই মুছলিম লীগ গঠন কৰিছিল। শুদ্ধ অশুদ্ধ

ছ) ভাৰতক স্বাধীনতা দিয়াৰ সময়ত বৃটিছ চৰকাৰৰ প্ৰধান মন্ত্ৰী আছিল চাৰ্চিল। শুদ্ধ অশুদ্ধ

জ) পাকিস্তান এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ। শুদ্ধ অশুদ্ধ

৩। তলত কিছুমান চন আৰু ঘটনা দিয়া হৈছে; ঘটনাৰ সৈতে চনবোৰ মিলাই লেখকঃ

১৮৮৫, ১৯০৫, ১৯১৬, ১৯২০, ১৯২৯, ১৯৩০, ১৯০৬, ১৯৩৫, ১৯৩৯, ১৯৪১, ১৯৪২, ১৯৪৬, ১৯৪৭।

ভাৰতৰ স্বাধীনতা লাভ; সুভাষ চন্দ্ৰ বসুৱে দেশৰ পৰা পলাই গৈছিল; ভাৰতীয় জাতীয় কংগ্ৰেছৰ আৰম্ভনি; 'হোমৰুল' নামৰ আন্দোলনৰ গুৰি বঠা ধৰে তিলকে; আইন অমান্য আন্দোলন; অসহযোগ

আন্দোলন; লাহোৰ অধিবেশন; মুছলিম লীগ; ভাৰত সংস্কাৰ আইন; মুছলিম লীগৰ দ্বাৰা পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম; দ্বিতীয় বিশ্বযুদ্ধ; ভাৰত-ত্যাগ; বংগ-বিভাজন।

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

৪। খালি ঠাইবোৰত পাঠৰ পৰা শব্দ বহুৱাওকঃ

ক) ইংৰাজ শাসনৰ ...................... ভাৰতবাসীয়ে সংঘবদ্ধভাৱে প্ৰথম বিদ্ৰোহ কৰিছিল ...................... ।

খ) গান্ধীয়ে ...................... নীতিৰে ...................... অস্ত্ৰেৰে ব্ৰিটিছ শক্তিক স্বাধীনতা দিবলৈ বাধ্য কৰালে।

গ) গান্ধীজীয়ে ...................... চনত ...................... যোগদান কৰিছিল।

ঘ) ১৯২৯ চনত ...................... সভা পতিত্বত বহা জাতীয় কংগ্ৰেছৰ ...................... অধিবেশনত দেশৰ বাবে ...................... দাবী কৰা হয়।

ঙ) ...................... চনত মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষাৰ বাবে কিছুমান ...................... নেতাই এই ...................... গঠন কৰিছিল।

চ) ১৯৪৭ চনৰ ...................... বৃটিছ পাৰ্লিয়ামেন্টে ...................... ক ক্ষমতা হস্তান্তৰৰ সকলো ক্ষমতা দি ৱাভেলৰ ঠাইত নতুন ...................... কৰি পাঠালে।

জ) ...................... চনত গান্ধীয়ে বিখ্যাত লোন আইন ...................... কৰে।

৫। ভাৰতৰ স্বাধীনতা আন্দোলনক কেন্দ্ৰ কৰি ভালেমান নতুন শব্দ প্ৰচলন হৈছিল; যেনে - সত্যাগ্ৰহ, অসমযোগ ইত্যাদি। পাঠত থকা বা নথকা এনে শব্দ পাঁচোটা-ছয়টামান লেখি উলিয়াওক।

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

৬। একেটা বাক্যতে উত্তৰ দিয়কঃ

ক) ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা বৃটিছ পাৰ্লিয়ামেন্টে শাসন ভাৰ কেতিয়াৰ পৰা ললে?

..............................................................................................

খ) মহাত্মা গান্ধীয়ে কংগ্ৰেছত কিমান চনত যোগদান কৰে?

..............................................................................................

গ) দেশৰ বাবে 'পূৰ্ণ স্বাধীনতা' কেতিয়া, কত প্ৰথম উত্থাপন কৰা হৈছিল?

..............................................................................................

ঘ) পাকিস্তান নামৰ স্বাধীন ৰাষ্ট্ৰৰ দাবী কোনে কিমান চনত তোলে?

..............................................................................................

ঙ) 'ভাৰত-ত্যাগ' দাবী কিমান চনৰ কিমান তাৰিখে ক'ত উত্থাপন কৰা হৈছিল?

..............................................................................................

চ) বৃটিছ পাৰ্লিয়ামেন্টে কোন গভৰ্ণৰ জেনেৰেলক ভাৰতক স্বাধীনতা দিয়াৰ দায়িত্ব অৰ্পণ কৰিছিল?

..............................................................................................

ছ) কিমান চনত কোন আইনৰ জৰিয়তে ভাৰতবাসীক ৰাজনৈতিক সুবিধা দিবলৈ বিচাৰি কেন্দ্ৰ আৰু প্ৰদেশবোৰত নিৰ্বাচিত প্ৰতিনিধিক মন্ত্ৰীসভা গঠনৰ ক্ষমতা দিয়া হৈছিল?

..............................................................................................

জ) ঐতিহাসিক অসহযোগ আন্দোলন কোনে কেতিয়া আৰম্ভ কৰিছিল?

..............................................................................................

## ১১.৩.৩ পঠন অনুশীলনী

১। সমগ্ৰ পাঠটো পঢ়ি ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ বিষয়ে থূলমূল ধাৰণা এটি মনলৈ আনক।

২। মুখবন্ধটোৰে পাঠৰ পূৰ্বাভাস দাঙি ধৰিব পাৰিছেনে ভাবি চাওক ।

৩। পাঠটোত পোৱা নতুন শব্দসমূহৰ তালিকা এখন কৰি সেই শব্দবোৰৰ তাৎপৰ্য নিজৰ মনতে বিচাৰি চাওক।

৪। ভাৰতৰ স্বাধীনতা সংগ্ৰামত গান্ধীজীৰ ভূমিকা সম্পৰ্কে নিজৰ মনতে জুকিৱাওক ।

৫। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস ভাৰত বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা বুলি কেনেকৈ সিদ্ধান্ত কৰিব পাৰি ভাবি চাওক।

৬। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত কি কি বিপ্লবী দল গঢ় লৈ উঠিছিল, মনত ৰাখক।

৭। ভাৰতৰ স্বাধীনতা প্ৰাপ্তিত বৃটিছ শক্তিৰ ক্ৰমাৎ পৰি অহা অৱস্থানে, ভাৰতবাসীৰ আন্দোলনৰ ব্যাপকতা কোনটোৱে বেচি ক্ৰিয়া কৰিছিল, নিজৰ মনতে বিশ্লেষণ কৰক।

৮। বৃটিছৰ বিভাজন নীতি কেতিয়াৰ পৰা আৰম্ভ হৈ তাৰ পৰিণতিত কি হ'ল - ভাৱি চাওক।

৯। পাঠৰ সাৰাংশটো পঢ়ি পাঠৰ কথা খিনি ই ধৰি ৰাখিব পাৰিছেনে, ভাৱক।

১০। ভাৰতৰ স্বাধীনতা সংগ্ৰামত মুছলিম লীগ আৰু জাতীয় কংগ্ৰেছৰ ভূমিকা কেনে আছিল - দুইটা অনুষ্ঠানৰে দৃষ্টিভংগীৰ মৌলিক পাৰ্থক্য কোন খিনিত - নিজৰ মনতে বিচাৰি চাওক।

## ১১.৩.৩ লিখন অনুশীলনী

১। ওঠৰশ সাতাৱন্ন চনৰ বিদ্ৰোহক প্ৰথম ভাৰতীয় স্বাধীনতা সংগ্ৰাম বুলিব পাৰিনে? এই বিদ্ৰোহৰ ব্যৰ্থতাৰ কাৰণ কি?

..............................................................................................

..............................................................................................

২। ভাৰতীয় স্বাধীনতা আন্দোলনত লোকমান্য তিলকৰ ভূমিকা নিৰ্ণয় কৰক।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

৩। জালিৱানাবাগৰ শোকাবহ হত্যাকাণ্ডই ভাৰতীয় স্বাধীনতা সংগ্ৰামত কেনে প্ৰভাৱ পেলাইছিল?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৪। গান্ধীজীৰ অসহযোগ আন্দোলনৰ এটি চমু পৰিচয় দিয়ক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৫। ভাৰতৰ স্বাধীনতা সংগ্ৰামত সন্ত্ৰাসবাদীৰ ভূমিকা নিৰ্ণয় কৰক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৬। 'মুছলিম লীগ' কি দৰে গঠিত হয়? ইয়াৰ উদ্দেশ্য কি আছিল আৰু সেই উদ্দেশ্য সফল হ'ল বুলি কব পাৰিনে?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৭। 'ক্ৰীপছ মিছন' ভাৰতলৈ আহিছিল? ক্ৰীপছৰ প্ৰস্তাৱ সমূহ কি কি? মিছন কিয় ব্যৰ্থ হ'ল?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৮। ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে লেখক? এই আন্দোলনত অসমৰ শ্বহীদ কেইগৰাকীমানৰ নাম লেখক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৯। কেবিনেট-মিছনৰ প্ৰস্তাৱসমূহ কি আছিল? কি পৰিস্থিতিত ভাৰত বিভাজন হ'ল?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

১০। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস সম্পৰ্কে এটি চমু আভাস দাঙি ধৰক।

..........................................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ১১.৪ উত্তৰ সংকেত

বোধজ্ঞান সম্পৰ্কীয় যিখিনি অনুশীলনী দিয়া হ'ল, সেইবোৰ তলত দিয়া উত্তৰৰ লগত মিলাই চাওক। য'ত য'ত আপোনালোকৰ ভুল হৈছিল, সেইবোৰ পুনৰ শুধৰাই লওক।

১। (ক) ২
(খ) ৩
(গ) ২
(ঘ) ২
(ঙ) ৩
(চ) ৩
(ছ) ২
(জ) ২

২। (ক) অশুদ্ধ
(খ) শুদ্ধ
(গ) অশুদ্ধ
(ঘ) শুদ্ধ
(চ) শুদ্ধ
(ছ) অশুদ্ধ
(জ) অশুদ্ধ

৩। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ আৰম্ভণি হয়;

১৯০৫ চনত বংগ বিভাজন হয়;

১৯১৬ চনত 'হোমৰুল' নামৰ এক শক্তিশালী আন্দোলনৰ গুৰি ব'ঠা ধৰে লোকমান্য তিলকে।

১৯২০ চনত মহাত্মা গান্ধীয়ে তেওঁৰ ঐতিহাসিক অসহযোগ আন্দোলন আৰম্ভ কৰে;

১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন বহে;

১৯৩০ চনত মহাত্মা গান্ধীয়ে বিখ্যাত আইন অমান্য আন্দোলন আৰম্ভ কৰে;

১৯০৬ চনত মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ বাবে কিছুমান মুছলমান নেতাই মুছলিম লীগ স্থাপন কৰে;

১৯৩৫ চনত বৃটিছ চৰকাৰে ভাৰত সংস্কাৰ আইনৰ জৰিয়তে ভাৰতবাসীক কিছু ৰাজনৈতিক সুবিধা দিবলৈ বিচাৰিছিল;

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হয়;

১৯৪১ চনত সুভাষ চন্দ্ৰ বসুৱে পুলিচৰ চকুত ধুলি মাৰি দেশৰ পৰা পলাই গৈছিল;

১৯৪২ চনত বম্বেত বহা জাতীয় কংগ্ৰেছৰ অধিবেশনত ভাৰত-ত্যাগ দাবী উত্থাপন কৰা হয়;

১৯৪৬ চনত মুছলিম লীগে পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰিলে;

১৯৪৭ চনত ভাৰতবৰ্ষই হেজাৰজনৰ ত্যাগ আৰু সংগ্ৰামৰ বিনিময়ত ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে।

৫। স্বৰাজ, চৰখা, কংগ্ৰেছ, খাদী, ভলন্টিয়াৰ, মুক্তি যোদ্ধা

৬। (ক) ১৮৫৭ চনৰ ভাৰতৰ প্ৰথম মুক্তি সংগ্ৰামৰ পিচৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীয় হাতৰ পৰা ভাৰতবৰ্ষৰ শাসনভাৰ বৃটিছ পাৰ্লিয়ামেণ্টে ললে।

(খ) ১৯১৯ চনত মহাত্মা গান্ধীয়ে কংগ্ৰেছত যোগদান কৰিছিল।

(গ) ১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনত দেশৰ যাবে 'পূৰ্ণ স্বাধীনতা' উত্থাপন কৰা হয়।

(ঘ) মহম্মদ আলি জিন্নাৰ নেতৃত্বত মুছলিম লীগে ১৯৪০ চনত মুছলমানৰ বাবে মুছলিম সংখ্যাগৰিষ্ঠ প্ৰদেশ লৈ 'পাকিস্তান' নামে স্বাধীন মুছলিম ৰাষ্ট্ৰৰ দাবী তোলে।

(ঙ) ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে বোম্বেত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছৰ অধিবেশনত মহাত্মা গান্ধীয়ে 'ভাৰত ত্যাগ' দাবী উত্থাপন কৰে।

(চ) বৃটিছ পাৰ্লিয়ামেন্টে লৰ্ড মাউন্টবেটেনক ভাৰতৰ নতুন গভৰ্ণৰ জেনেৰেল পাতি ভাৰতক স্বাধীনতা দিয়াৰ দায়িত্ব অৰ্পণ কৰিছিল।

(ছ) ১৯৩৫ চনত ভাৰত সংস্কাৰ আইনৰ যোগেদি ভাৰতবাসীক ৰাজনৈতিক সুবিধা দিবলৈ বিচাৰি কেন্দ্ৰ আৰু প্ৰদেশ বোৰত নিৰ্বাচিত প্ৰতিনিধিক মন্ত্ৰীসভা গঠনৰ ক্ষমতা দিয়া হৈছিল।

(জ) ১৯২০ চনত মহাত্মা গান্ধীয়ে ঐতিহাসিক অসহযোগ আন্দোলন আৰম্ভ কৰিছিল।